# Telephone Conversation between Prime Minister and His Royal Highness The Prince of Wales

April 02, 2020

---

# প্ৰধানমন্ত্ৰী আৰু প্ৰিন্স অফ ৱেলছৰ ৰজাৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 02, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি প্ৰিন্স অফ ৱেলছ ৰজাৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই বৰ্তমানৰ কোভিড-19 মহামাৰীৰ বিষয়ে আলোচনা কৰে। যোৱা কিছু দিনত এই ৰোগত ব্ৰিটেইনত অকালতে মৃত্যুক সাৱটি লোৱা সকলৰ বাবে প্ৰধানমন্ত্ৰীয়ে শোক প্ৰকাশ কৰে। ৰজাই এই ৰোগৰ পৰা আৰোগ্য পোৱাত প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰি তেওঁৰ সুস্বাস্থ্য কামনা কৰে।

ব্ৰিটেইনত বহু ভাৰতীয় প্ৰবাসী লগতে নেচনেল হেল্থ ছাৰ্ভিচৰ বহু সদস্যই মহামাৰীবিধৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হোৱাৰ বাবে ৰাজকুমাৰে প্ৰশংসা কৰে। তাৰোপৰি ব্ৰিটেইনত ভাৰতীয় সম্প্ৰদায়ৰ বহু ধৰ্মীয় আৰু সামাজিক সংস্থাই নিঃস্বাৰ্থ সেৱা আগবঢ়াই আছে বুলিও ৰাজকুমাৰে উল্লেখ কৰে।

ৰাজকুমাৰে এই সংকটৰ সময়ছোৱাত ভাৰতত থকা ব্ৰিটেইনৰ নাগৰিকসকলক প্ৰধানমন্ত্ৰীয়ে সুবিধা আৰু সাহায্য প্ৰদান কৰা বাবে কৃতজ্ঞতা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাজকুমাৰে আয়ুৰ্বেদৰ প্ৰতি দেখুওৱা আগ্ৰহৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। শেহতীয়াকৈ কিছুমান চুটি ভিডিঅ'ৰ জৰিয়তে সাধাৰণ যোগাভ্যাস অনুশীলন আৰু ৰোগ প্ৰতিৰোধক ক্ষমতা বৃদ্ধি কৰিবলৈ ঘৰতে প্ৰস্তুত কৰা পৰম্পৰাগত উপায়সমূহৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে ৰাজকুমাৰক অৱগত কৰে। বৰ্তমানৰ পৰিস্থিতিত মানসিক তথা শাৰীৰিক স্বাস্থ্য প্ৰতিপালনৰ বাবে প্ৰয়োজনীয় এই পদক্ষেপসমূহক ৰাজকুমাৰগৰাকীয়ে প্ৰশংসা কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 02, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.